**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গণৰাজ্য দিৱসত ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ত্ৰিৰংগ পতাকা উত্তোলন কৰিব। লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত কালি মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটী আৰু ডিব্ৰুগড়ত সমাগত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতিৰ বুজ লয়। এইবাৰ নৱগঠিত সমজিলাসমূহতো গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। জিলা ভিত্তিত আয়োজিত কাৰ্যসূচীৰ দৰে সম জিলাকেইখনতো যাতে গণৰাজ্য দিৱসত আৰক্ষীৰ পেৰেড অনুষ্ঠিত হয়, তাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। সমাগত গণৰাজ্য দিৱস উপলক্ষে সকলো প্ৰান্ততে চাফাই অভিযান আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়ে। গণৰাজ্য দিৱসৰ প্ৰাক্ক্ষণত ২৫ জানুৱাৰীৰ আবেলি গুৱাহাটী আৰু ডিব্ৰুগড়ত অসম আৰক্ষীয়ে **ৰোডপাষ্ট** কাৰ্যসূচী গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে অন্যান্য জিলা সদৰসমূহতো এনে কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০

অসমৰ মাজুলীৰ লগতে উত্তৰ-পূবৰ কেইবাগৰাকীও পুৰোহিত আৰু সত্ৰাধিকাৰ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলালৈ আজি ৰাওনা হ'ব। মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু উত্তৰ কমলাবাৰী সত্ৰৰ ভকত-বৈষ্ণৱৰ লগতে ৰাজ্যৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ এই মেলাত উপস্থিত থাকিব। উল্লেখযোগ্য যে উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব। আমাৰ পূৰ্বৰ বাতৰিতে উল্লেখ কৰা হৈছিল যে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সত্ৰাধিকাৰসকলক মেলালৈ আমন্ত্ৰণ জনোৱাৰ লগতে তেওঁলোকক বিশেষ অতিথিৰ মৰ্যাদা দিয়া হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ ফৰেষ্ট ব্লকত কালি আৰক্ষী আৰু চি আৰ পি এফে অভিযান চলাই এজন লোকৰ বাসগৃহৰ পৰা প্ৰায় ১৬ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰিছে। জব্দকৃত নিচাযুক্ত সামগ্ৰীখিনিৰ বজাৰ মূল্য ৫ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। নিচাযুক্ত সামগ্ৰীখিনি লুকুৱাই ৰখা চামাদ আলী নামৰ ব্যৱসায়ীজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

০০০০০০

গুৱাহাটীত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ অংশ হিচাপে **বিকশিত অসম, বিকশিত ভাৰত** এখন বিশেষ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তৰ অধ্যক্ষতাত কালি জনতা ভৱনত এই প্ৰদৰ্শনীৰ উপ-সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। ৰাজহ আৰু দুৰ্যোগ

ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিবকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰা এই বৈঠকত প্ৰদৰ্শনীৰ প্ৰস্তুতিপৰ্বৰ সৈতে জড়িত বিভিন্ন দিশসমূহ বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০

শিৱসাগৰ জিলা কৃষি বিভাগৰ সহযোগিতাত কালি শিৱসাগৰ জিলাৰ দিচাংমুখৰ পৰা ২৫ মেট্ৰিক টন ৰঙালাও কলকাতাৰ বজাৰলৈ ৰপ্তানী কৰা হৈছে। ইয়াৰ জৰিয়তে মুঠ ৭৫ মেট্ৰিক টন ৰঙালাওৰ উপযুক্ত বজাৰ সংযোগীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই বজাৰ সংযোগীকৰণৰ জৰিয়তে স্থানীয় কৃষক ৰাইজ যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলি জিলাখনৰ কৃষি বিভাগে আশা প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰ বিষয়ক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ উপস্থাপকসকলে অংশগ্ৰহণ কৰিব। ষ্টুডিঅ'ত থাকিব সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী অন্যতম বাটকটীয়া ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত কাইলৈ হ'বলগীয়া টেট তথা নিযুক্তি পৰীক্ষা সুচাৰুৰূপে পৰিচালনা সন্দৰ্ভত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। শিক্ষামন্ত্ৰীয়ে বৈঠকত টেট পৰীক্ষা হ'বলগীয়া জিলাকেইখনৰ আয়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু আৰক্ষী অধীক্ষকসকলক এইক্ষেত্ৰত যাৱতীয় নীতি-নিৰ্দেশনা দিয়ে। উল্লেখযোগ্য যে ৰাজ্যৰ ৯ খন জিলাত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থীয়ে স্নাতক শিক্ষক আৰু ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থীয়ে স্নাতকোত্তৰ শিক্ষকৰ বাবে টেট পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০

নতুন দিল্লীত চলি থকা খো খো বিশ্বকাপ ২০২৫ প্ৰতিযোগীতাত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনত দুয়োটা দলেই বৰ্তমানলৈকে সকলো মেচতে অপৰাজেয় হৈ আছে। ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত কালি শ্ৰীলংকাৰ বিৰুদ্ধে ১০০ আৰু ৪০ ফলাফলত ভাৰতীয় পুৰুষৰ দলটোৱে জয়লাভ কৰে। শ্ৰীলংকাই বহু চেষ্টা কৰিও ভাৰতৰ আগ্ৰাসী স্থিতিৰ বিৰুদ্ধে যুঁজিবলৈ ব্যৰ্থ হয়। কালিৰ খেলখনত ৰামজী কাশ্যপে শ্ৰেষ্ঠ খেলুৱৈ আৰু ভি সুব্ৰমণীয়ে শ্ৰেষ্ঠ আক্ৰমণাত্মক খেলুৱৈ বঁটা লাভ কৰে। শ্ৰীলংকাৰ দলটোৰ ছাচিনাডুক মেচখনৰ শ্ৰেষ্ঠ ৰক্ষণাত্মক খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়। ইফালে ভাৰতীয় মহিলা দলটোৱে কালি আন এখন খেলত বাংলাদেশক ১০৯ আৰু ১৬ ফলাফলত পৰাস্ত কৰে। অশ্বনী শিণ্ডেক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান আৰু ঋতু ৰাণী সেনক শ্ৰেষ্ঠ ৰক্ষণাত্মক খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। মগাই মাঝিক খেলখনৰ শ্ৰেষ্ঠ আক্ৰমণাত্মক খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়।

০০০০০০

সমাপ্ত